
| | | |
|---|---|---|
| | প্ৰাথমিক তথ্য সংগ্ৰহ সময়ৰছী। | গৌণ তথ্য সংগ্ৰহ দ্ৰুত আৰু সহজ। |
| গৱেষণাৰ সৈতে সম্পৰ্ক | প্ৰাথমিক তথ্য নিৰ্দিষ্ট গৱেষণা ভিত্তিক হয়। | গৌণ তথ্য এক নিৰ্দিষ্ট গৱেষণাৰ গণ্ডীত বান্ধ খাই নাথাকিব পাৰে। |
| খৰছৰ প্ৰসংগ | প্ৰাথমিক উৎসৰ পৰা সংগ্ৰহ কৰা তথ্য অধিক নিৰ্ভৰযোগ্য হয়। | গৌণ তথ্য সহজে আৰু কম খৰছত উপলব্ধ |
| নিৰ্ভৰযোগ্যতা আৰু বিশ্বাসযোগ্যতা | প্ৰাথমিক তথ্য কেঁচা ৰূপতহে পোৱা যায়। | গৌণ তথ্য অধিক সময়খৰছী আৰু ইয়াত অধিক সম্পদৰ প্ৰয়োজন হয়। |
| | | গৌণ উৎসৰ পৰা সংগ্ৰহ কৰা তথ্য তুলনামূলভাৱে কম বিশ্বাসযোগ্য। |
| | | গৌণ তথ্য সংশোধিত ৰূপত উপলব্ধ। |



## অগ্ৰগতিৰ নিৰীক্ষণ

**প্ৰশ্ন নং ১ ঃ** প্ৰাথমিক তথ্য কি?

.....

.....

**প্ৰশ্ন নং ২ ঃ** গৌণ তথ্য কি?

.....

.....

**প্ৰশ্ন নং ৩ ঃ** গুণগত গৱেষণাত প্ৰাথমিক তথ্য সংগ্ৰহৰ বিভিয়ন্ন পদ্ধতি উল্লেখ কৰক।

.....

.....

**প্ৰশ্ন নং ৪ ঃ** পৰিমাণগত গৱেষণাত প্ৰাথমিক তথ্য সংগ্ৰহ কৰাৰ বিভিন্ন পদ্ধতি উল্লেখ কৰক।

.....

.....

**প্রশ্ন নং ৫ ঃ** গৌণ তথ্য সংগ্রহৰ আভ্যন্তৰীণ বা অপ্রকাশিত উৎস কি কি?

.....

.....

**প্রশ্ন নং ৬ ঃ** গৌণ তথ্য সংগ্রহৰ বাহ্যিক বা প্রকাশিত তথ্য কি কি?

.....

.....

**প্রশ্ন নং ৭ ঃ** প্রাথমিক তথ্য আৰু সহায়ক তথ্যৰ মাজৰ চাৰিটা পার্থক্য উল্লেখ কৰক।

.....

.....



## ৬.৬ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

- তথ্য হৈছে যিকোনো চলক অথবা পৰিঘটনাৰ বিষয়ে খবৰ।
- তথ্য সংগ্রহৰ প্রক্রিয়াৰ জৰিয়তে গৱেষকে খবৰ সংগ্রহ আৰু পৰিমাপ কৰে।
- গৱেষণাত তথ্য সংগ্রহৰ বিভিন্ন পদ্ধতি আছে, এইসমূহক প্রধানকৈ দুটা ভাগত ভগাব পাৰি, প্রাথমিক তথ্য আৰু গৌণ তথ্য।
- গৱেষকৰ প্রত্যক্ষ প্রয়াস আৰু অভিজ্ঞতা আহৰণেৰে কৰল গৱেষণাৰ সমস্যা সমাধানৰ বাবে আহৰণ কৰা তথ্য হৈছে প্রাথমিক তথ্য।
- মুকলি ক্ষেত্র অথবা নিজৰ গৱেষণা ক্ষেত্রৰ ভিতৰত নিজৰ সমস্যা সমাধান কৰিবলৈ গৱেষকে প্রাথমিক তথ্য সংগ্রহ কৰে।
- প্রাথমিক তথ্য গুণগত অথবা পৰিমাণগত দুইধৰণৰ হ'ব পাৰে। পৰিমাণগত তথ্যত সংখ্যা আৰু পৰিমাপত গুৰুত্ব প্রদান কৰাৰ বিপৰীতে গুণগত তথ্যত মন্তব্য আৰু দৃষ্টিভংগীৰ ওপৰত গুৰুত্ব প্রদান কৰা হয়।
- গুণগত গৱেষণাত প্রাথমিক তথ্য সংগ্রহৰ সাধাৰণ পদ্ধতিসমূহ হৈছে- ব্যক্তিৰ পর্যৱেক্ষণ, সাক্ষাৎকাৰ, বিষয় অধ্যয়ন, কেন্দ্রীভূত গোট, নৃগোষ্ঠীয় বর্ণনা।
- পৰিমাণগত গৱেষণাত তথ্য সংগ্রহৰ আটাইতকৈ সাধাৰণ পদ্ধতিসমূহ হৈছে- যান্ত্রিক পর্যৱেক্ষণ, প্রশ্নাৱলী, জৰীপ, সম্প্রৰীক্ষা।
- গৌণ তথ্য হৈছে সেইবোৰ তথ্য যিবোৰ আগৰে পৰা বিভিন্ন উৎসত উপলব্ধ।
- এই তথ্য এটা নির্দিষ্ট গৱেষণাভিত্তিক নহয়।
- গৌণ তথ্যৰ কেতবোৰ উৎস হৈছে- চৰকাৰী ৰেক'র্ড বা সংগ্রহ, সংসদীয় কামকাজ, বজাৰৰ খতিয়ান, বিত্তীয় প্রতিবেদন আদি।
- গৌণ তথ্য সংগ্রহ দ্রুত আৰু সহজ।